Ref......................                                        Date........................

প্ৰতি,

**অধ্যক্ষ,**

________________________________

বিষয়- **গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ**

মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব। আপোনাক জনাবলৈ পাই, সুখী হৈছো যে গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ, ২০২৪-২৫ বৰ্ষৰ পশ্চিম মাণ্ডলিক পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ এইবেলি ৩, ৪, ৫ আৰু ৬ ছেপ্তেম্বৰ, ২০২৫ তাৰিখত বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়ত অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

সেয়েহে উক্ত প্ৰতিযোগিতাসমূহত আপোনাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰাৰ বাবে ইয়াৰে আমন্ত্ৰণ জনালো।

পুনৰ শ্ৰদ্ধাৰে -

প্ৰাণজিৎ কলিতা, ভাঃ অধ্যক্ষ
অভয়াপুৰী মহাবিদ্যালয়
Principal i/c
Abhayapuri College
Abhayapuri

# গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ

## গোপীনাথ বৰদলৈ নগৰ (জালুকবাৰী), গুৱাহাটী-৭৮১০১৪

প্ৰসংগ নংঃ গু. বি/ গু.বি.ক্ৰী.প/আ.ম.যু.ম/ ২০২৪/০৪৩৭

## পূৱ, পশ্চিম, দক্ষিণ- পশ্চিম আৰু মধ্য মণ্ডলৰ মাণ্ডলিক যুৱ মহোৎসৱৰ গুৰুত্বপূৰ্ণ তথ্য / চৰ্ত আৰু নিয়মাৱলী

**নিয়মাৱলী ঃ**

১। প্ৰতিযোগিতাকে ধৰি মহোৎসৱৰ সকলো কাৰ্যসূচী অনুষ্ঠিত হ'ব মাণ্ডলিকৰ অন্তৰ্গত আয়োজক মহাবিদ্যালয়খনিত।

২। ক) গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ অনুমোদিত/স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰ-ছাত্ৰীসকলেহে প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰূপে অংশ গ্ৰহণ কৰিব পাৰিব।

খ) প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানৰ বাহিৰে যুটীয়া বা উদগনিমূলক কোনো স্থান নাথাকে। এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীয়ে এখন মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিব পাৰিব, যদিহে —

গ) (১) তেওঁ সংশ্লিষ্ট মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰ-ছাত্ৰী হ'ব লাগিব

(২) তেওঁৰ নাম মহাবিদ্যালয়ৰ হাজিৰা বহীত লিপিবদ্ধ থাকিব লাগিব

(৩) প্ৰতিনিধিত্ব কৰিবৰ বাবে তেওঁক মহাবিদ্যালয়ৰ অধ্যক্ষই কৰ্তৃত্ব/অনুমতি দিব লাগিব

(৪) প্ৰতিযোগীৰ বয়স ২০২৫ চনৰ ১ জুলাইত ২৫ বছৰতকৈ বেছি হ'ব নোৱাৰিব ।

৩। যুৱ মহোৎসৱত অংশগ্ৰহণকাৰী একোটাদলত সৰ্বমুঠ ৩০ গৰাকীতকৈ অধিক সদস্য থাকিব নোৱাৰিব।

৪। যুৱ মহোৎসৱৰ একোটা অংশগ্ৰহণকাৰী দলত একোজনকৈ তত্ত্বাৱধায়ক অধ্যাপক থাকিব লাগিব। যুৱ মহোৎসৱৰ সময়ছোৱাত তত্ত্বাৱধায়ক অধ্যাপকগৰাকী তেওঁ নেতৃত্ব দিয়া অংশগ্ৰহণকাৰী দলটোৰ পৰিচালনা আৰু নিয়ন্ত্ৰণৰ দায়িত্বত থাকিব। অংশগ্ৰহণকাৰী দলত ছাত্ৰ আৰু ছাত্ৰী উভয়ে থাকিলে অতিৰিক্তভাৱে এগৰাকী মহিলা তত্ত্বাৱধয়াক অধ্যাপক থাকিব পাৰিব (যদিহে প্ৰয়োজনবোধ কৰে)।

৫। অংশগ্ৰহণকাৰী দলসমূহৰ অহা-যোৱা আৰু অন্যান্য কোনোধৰণৰ ব্যয় গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ তথা উদ্‌যাপন সমিতিয়ে বহন নকৰে।

৬। প্ৰতিযোগীসকলে সকলোধৰণৰ বাদ্যযন্ত্ৰ আৰু বাদ্যযন্ত্ৰীৰ উপৰি ৰূপসজ্জাৰ সামগ্ৰীৰ লগতে আলোসম্পাত আৰু সাজ-সজ্জাৰ ব্যৱস্থা নিজাববীয়াকৈ কৰিব লাগিব।

৭। প্ৰতিযোগী আৰু তত্ত্বাৱধায়ক অধ্যাপকসকলে আঠুৱাকে ধৰি শোৱাৰ সকলো সামগ্ৰী (বেডিং) লগত আনিব লাগিব।

৮। প্ৰতিযোগী দলসমূহ যুৱ মহোৎসৱৰ চৌহদত উপস্থিত হোৱাৰ লগে লগে তেওঁলোকৰ আগমনৰ বিষয়ে যুৱ মহোৎসৱ উদ্‌যাপন সমিতিক আনুষ্ঠানিকভাৱে অৱগত কৰিব লাগিব। পঞ্জীয়নৰ সময়তে সকলো মহাবিদ্যালয় তথা প্ৰতিযোগী তথা প্ৰতিযোগী দলে 3ft×2ft জোখৰ এখনকৈ পতাকা উদ্‌যাপন সমিতিক জমা দিব লাগিব।

৯। ব্যয়/মাচুল ঃ প্ৰতি গৰাকী প্ৰতিনিধিৰ বাবে (৪০০) চাৰিশ টকা পঞ্জীয়ন মাচুল ধাৰ্য কৰা হৈছে।

১০। চলিতবৰ্ষত স্নাতক মহলাৰ তৃতীয়, পঞ্চম আৰু সদ্য বিদায়ী ষষ্ঠ সাম্মাসিকৰ আৰু স্নাতকোত্তৰ মহলাৰ তৃতীয় আৰু সদ্য বিদায়ী চতুৰ্থ সাম্মাসিকৰ ছাত্ৰ- ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব।

**স্বাস্থ্য ঃ**

প্ৰতিযোগীকে ধৰি অংশগ্ৰহণকাৰী দলৰ সদস্যসকল যাতে নিৰোগী হয় তাৰ প্ৰতি সংশ্লিষ্ট মহাবিদ্যালয়সমূহক বিশেষ গুৰুত্ব দিবলৈ অনুৰোধ জনোৱা হ'ল। সোঁচৰা বা জটিল ৰোগৰ ক্ষেত্ৰত আৰু আন আন বেমাৰৰ ক্ষেত্ৰত প্ৰতিষেধক লোৱাকে ধৰি যাৱতীয় চিকিৎসা ব্যৱস্থা কৰাৰ পিছতহে যাতে যুৱ মহোৎসৱলৈ আহে তাৰ প্ৰতি বিশেষভাৱে চকু দিবলৈ মহাবিদ্যালয়সমূহক অনুৰোধ জনোৱা হ'ল।

# গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ

## গোপীনাথ বৰদলৈ নগৰ (জালুকবাৰী), গুৱাহাটী-৭৮১০১৪

পশ্চিম মাণ্ডলিক আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱঃ ২০২৪-২০২৫

আয়োজকঃ অভয়াপুৰী মহাবিদ্যালয়, অভয়াপুৰী, বঙাইগাঁও

**যোগদান প্ৰ-পত্ৰৰ আৰ্হি**

প্ৰতি,

সচিব

গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ/উদ্‌যাপন সমিতি

মহাশয়,

আন্তঃমহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ নিয়ম অনুসৰি আমন্ত্ৰণী-পত্ৰৰ সৈতে গাঁঠি দিয়া যোগদানৰ প্ৰ-পত্ৰ পূৰণ কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে আপোনালৈ প্ৰেৰণ কৰিলোঁ। সহযোগ কামনাৰে —

অধ্যক্ষ

চহী আৰু ছীল মোহৰ

মহাবিদ্যালয় নাম

শিক্ষানুষ্ঠানৰ নাম ঃ..........................................................................................................

আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ অনুষ্ঠিত কৰা মহাবিদ্যালয় নাম ঃ..................................................

প্ৰতিযোগিতাৰ শিতান ঃ..........................................প্ৰতিযোগীৰ নাম ঃ...................................................

**সংগীত ঃ** (শ্ৰেণী আৰু ৰোল নম্বৰসহ)

১। বৰগীত ..................................................

২। লোক গীত ..................................................

৩। বনগীত ..................................................

৪। পৰম্পৰাগত জনজাতীয় গীত ..................................................

৫। জ্যোতি সংগীত ..................................................

৬। বিষ্ণু ৰাভা গীত ..................................................

৭। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত ..................................................

৮। ভূপেন্দ্ৰ সংগীত ..................................................

৯। জয়ন্ত হাজৰিকাৰ গীত ..................................................

১০। ৰবীন্দ্ৰ সংগীত ..................................................

১১। অসমীয়া সুগম সংগীত ..........................................................

১২। শাস্ত্রীয় কণ্ঠ সংগীত (Classical Vocal) ..........................................................

১৩। লঘু কণ্ঠ সংগীত (Light Vocal) ..........................................................

১৪। পাশ্চাত্য সংগীত (Western Song) ..........................................................

১৫। তাল বাদ্য (Percussions) ..........................................................

১৬। স্বৰ বাদ্য (Non-percussions) ..........................................................

১৭। সমবেত সংগীত ..........................................................

(প্ৰতিজন সদস্যৰ নাম উল্লেখ কৰিব লাগিব)

১৮। লোকবাদ্য (Folk Orchestra) ..........................................................

(প্ৰতিজন সদস্যৰ নাম উল্লেখ কৰি অধ্যক্ষই চহী কৰিব লাগিব)

**নৃত্য ঃ**

১। লোকনৃত্য/জনজাতীয় নৃত্য (দলীয়) ..........................................................

(প্ৰতিজন সদস্যৰ নাম উল্লেখ কৰি অধ্যক্ষই চহী কৰিব লাগিব)

২। শাস্ত্রীয় নৃত্য (একক) ..........................................................

**সাহিত্য ঃ**

১। আলোচনী (শেহতীয়া সংখ্যা) ..........................................................

(যুৱ মহোৎসৱত যোগদান কৰাৰ সময়তে শিক্ষানুষ্ঠানৰ আলোচনীৰ শেহতীয় সংখ্যাৰ তিনিটাকৈ কপি জমা দিব লাগিব)

আলোচনী আৰু সম্পাদকৰ নাম ..........................................................

২। স্ব-ৰচিত কবিতা আবৃত্তি ..........................................................

(অসমীয়া বা ইংৰাজী অথবা হিন্দী)

৩। থিতাতে তোলা ছবি (Spot Photography) ..........................................................

**নাটক (থিয়েটাৰ) ঃ**

১। একাংক নাট (One Act Play) ..........................................................

(প্ৰতিজন সদস্যৰ নাম উল্লেখ কৰিব লাগিব)

২। ব্যংগ নাট (Skits) ..........................................................

(প্ৰতিজন সদস্যৰ নাম উল্লেখ কৰিব লাগিব)

৩। মুকাভিনয় (Mime) ..........................................................

(প্ৰতিজন সদস্যৰ নাম উল্লেখ কৰিব লাগিব)

৪। ভেঙুচালি (কণ্ঠস্বৰ নকল) (Mimicry) ..........................................................

**সুকমাৰ কলা** (Fine Arts) ঃ

১। থিতাতে অঁকা পেইন্টিং (on the spot painting) ..........................................................

২। ক'লাজ (Collage) ..........................................................

৩। পোষ্টাৰ মেকিং (Poster Making) ..........................................................

৪। ক্লে'মডেলিং (Clay Modelling) ..........................................................

৫। কার্টুনিং (Cartooning) ..........................................................

**তৰ্ক আৰু আলোচ্য** (Debat & symposium)

১। কুইজ ঃ শিক্ষানুষ্ঠানৰ নাম ..........................................................

প্ৰতিযোগীৰ নাম ..........................................................

(১) ..........................................................

(২) ..........................................................

২। তৰ্ক (Debating) (অসমীয়া বা ইংৰাজী অথবা হিন্দী) ..........................................................

৩। বক্তৃতা (Elocution) (অসমীয়া বা ইংৰাজী) ..........................................................

অধ্যক্ষ

চহী আৰু ছীল মোহৰ

মহাবিদ্যালয়ৰ নাম ঃ

(**বিঃ দ্ৰঃ** - প্ৰমাণপত্ৰ সমূহ লিখাৰ সুবিধাৰ্থে প্ৰতিযোগীৰ নামসমূহ ইংৰাজী ভাষাৰ ইংৰাজীত বৰ-ফোলা (Capital letter) দিবলৈ অনুৰোধ জনোৱা হ'ল।)

# গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ

## গোপীনাথ বৰদলৈ নগৰ (জালুকবাৰী), গুৱাহাটী-৭৮১০১৪

### পশ্চিম মাণ্ডলিক আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱঃ ২০২৪-২০২৫

### আয়োজকঃ অভয়াপুৰী মহাবিদ্যালয়, অভয়াপুৰী, বঙাইগাঁও

**প্ৰতিযোগী দলৰ বিশেষ তথ্য সম্পকীয় প্ৰ-পত্ৰৰ আৰ্হি**

১। মহাবিদ্যালয়/বিশ্ববিদ্যালয়ৰ নাম (ঠিকনাসহ) ..............................................

২। মুঠ প্ৰতিযোগীৰ সংখ্যা ছাত্ৰ ঃ ..............................................

ছাত্ৰী ঃ

৩। তত্ত্বাৱধায়ক অধ্যাপক/অধ্যাপিকাৰ নাম ..............................................

..............................................

৪। প্ৰতিযোগী দলৰ অপ্ৰতিযোগী সদস্যৰ মুঠ সংখ্যা ..............................................

(বাদ্যযন্ত্ৰী/মঞ্চশিল্পীঁআলোকশিল্পী/ৰূপসজ্জা শিল্পী আদি। এইসকলৰ নাম বেলেগ বেলেগ লিখি মহাবিদ্যালয়ৰ অধ্যক্ষৰ চহী আৰু ছীল মোহৰসহ জমা দিব লাগিব।)

৫। যুৱ মহোৎসৱথলীত উপস্থিত হোৱাৰ তাৰিখ/সময় ..............................................

৬। দলৰ কোনো সদস্যৰ বিৰুদ্ধে কিবা গোচৰ আছে নেকি? ..............................................

৭। কোনো অনিয়মীয়া বা প্ৰাক্তন ছাত্ৰ ছাত্ৰীয়ে প্ৰতিযোগীৰূপে অংশ গ্ৰহণ কৰিছে নেকি? ..............................................

৮। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ নিৰ্দিষ্ট মাচুল আদি (সহ) জমা দিয়া হৈছে নে? ..............................................

(মাচুল জমা দিয়াৰ শেহতীয়া ৰচিদৰ প্ৰতিলিপি লগত গাঁঠি দিব। যদি শেহতীয়া কিস্তি জমাদিয়া নাই, তেন্তে যুৱ মহোৎসৱত যোগদানৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হ'ব পাৰে।)

অধ্যক্ষ

চহী আৰু ছীল মোহৰ

মহাবিদ্যালয়ৰ নাম ঃ

**নাট/নৃত্য বিভাগ প্ৰতিযোগিতাৰ নিৰ্দেশনা ঃ**

(১) একাংক নাটৰ পৰিচালক সংশ্লিষ্ট মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী বা বিষয়া-কৰ্মচাৰী হ'ব লাগিব।

(২) সংগীত, নাট বা নৃত্য প্ৰতিযোগিতাৰ স্মাৰক, বাদ্যযন্ত্ৰী, আলোকশিল্পী, নেপথ্য সংগীত শিল্পী, ৰূপ-সজ্জাকাৰ বা সাজ-সজ্জাকাৰসকল প্ৰতিযোগীৰূপে গণ্য কৰা নহ'ব। সেই সূত্ৰে তেওঁলোকৰ নিয়ন্ত্ৰণৰ দায়িত্বত থাকিব লাগিব সংশ্লিষ্ট প্ৰতিযোগী দলৰ তত্ত্বাৱধায়কসকল।

(৩) প্ৰতিযোগিতাৰ বাবে সাধাৰণ আলোকসজ্জা আৰু মঞ্চসজ্জাৰ ব্যৱস্থা কৰিব উদ্‌যাপন সমিতিয়ে। অধিক উন্নত আৰু বিশেষ আলোকসজ্জা বা মঞ্চৰ আন আন প্ৰতিপাদ্য বয়-বস্তুৰ ব্যৱস্থা প্ৰতিযোগী দলসমূহে নিজাববীয়াকৈ কৰিব লাগিব। প্ৰতিযোগিসকলে বাদ্যযন্ত্ৰ আৰু ব্যৱস্থাও নিজাববীয়কৈ কৰিব লাগিব।

(৪) একাংক নাটসমূহ মৌলিক হ'ব লাগিব। কোনো অনূদিত নাট প্ৰতিযোগিতাৰ বাবে গণ্য কৰা নহ'ব। ইতিপূৰ্বে মহাবিদ্যালয় পৰ্য্যয়ত বা অন্যান্য ক্ষেত্ৰৰ গুৰুত্বপূৰ্ণ প্ৰতিযোগী দলসমূহ বিশেষভাৱে গুৰুত্ব দিবলৈ অনুৰোধ জনোৱা হ'ল।

(৫) নাট্যকাৰসকলৰ বাবে এটা পুৰস্কাৰৰ ব্যৱস্থা থাকিব। অৱশ্যে কেৱল গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ মহলা বা অধীনস্থ মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰ-ছাত্ৰীয়ে ৰচনা কৰা নাটৰ পাণ্ডুলিপিৰ ক্ষেত্ৰতহে নাট্যকাৰক পুৰস্কাৰ দিয়াৰ ব্যৱস্থা থাকিব।

(৬) কাৰিকৰী সুবিধাৰ বাবে কেৱল অসমীয়া ভাষাত লিখা একাংক নাটৰ পাণ্ডুলিপিহে প্ৰতিযোগিতাৰ বাবে গণ্য কৰা হ'ব।

(৭) একাংক নাটৰ পাণ্ডুলিপি আৰু মূলভাৱৰ তিনিটাকৈ প্ৰতিলিপি প্ৰতিযোগিতাত যোগদান কৰাৰ সময়তে জমা দিব লাগিব।

(৮) নৃত্য প্ৰতিযোগিতাত কোনো প্ৰতিযোগিয়ে স্থায়ী বা অস্থায়ীভাৱে বাণীবদ্ধ কৰা সংগীত ব্যৱহাৰ কৰিব নোৱাৰিব। **অৱশ্যে প্ৰয়োজনত শাস্ত্ৰীয় একক নৃত্যত বাণীবদ্ধ কৰা সংগীত ব্যৱহাৰ কৰিব পাৰিব।**

(৯) নৃত্য পৰিৱেশনৰ বাবে ব্যৱহাৰ কৰা গীতৰ কথাংশ আৰু ভাবাৰ্থৰ তিনিটাকৈ প্ৰতিলিপি প্ৰতিযোগিতাত যোগদান কৰাৰ সময়তে জমা দিব লাগিব। নৃত্যৰ সৈতে কাহিনী আৰু নৃত্যৰ বৰ্ণনাৰ চমুটোকাও যোগদানৰ সময়ত জমান দিব লাগিব।

**তৰ্ক আৰু বক্তৃতা প্ৰতিযোগিতা ঃ**

তৰ্ক আৰু বক্তৃতা প্ৰতিযোগিতাৰ বিষয় প্ৰতিযোগিতাৰ ২৪ ঘণ্টাৰ আগতহে ঘোষণা কৰা হ'ব।

**আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰতিযোগীসকলে অসমীয়া, ইংৰাজী বা হিন্দীত নিজে ৰচনা কৰা কবিতাহে আবৃত্তি কৰিব পাৰিব। কবিতাৰ বিষয়-প্ৰসংগ প্ৰতিযোগিতাৰ তিনি ঘণ্টা আগতে ঘোষণা কৰা হ'ব। নিৰ্ধাৰিত বিষয়ত প্ৰতিযোগীসকলে নিৰ্দিষ্ট সময়ৰ ভিতৰত কবিতা ৰচনা আৰু আবৃত্তি কৰিব লাগিব।

**সংগীত প্ৰতিযোগিতাৰ নিৰ্দেশনা ঃ**

(১) ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, গীতিকাৰ পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু সংগীতসূৰ্য-অসম ৰত্ন ড° ভূপেন হাজৰিকাৰ দ্বাৰা ৰচিত আৰু সুৰাৰোপিত গীতসমূহে ক্ৰমে জ্যোতি সংগীত, বিষ্ণু ৰাভাৰ গীত, পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ বাবে গণ্য কৰা হ'ব। জয়ন্ত হাজৰিকাৰ কণ্ঠৰ যিকোনো গীত জয়ন্ত হাজৰিকাৰ গীতৰ প্ৰতিযোগীসকলে পৰিৱেশন কৰিব পাৰিব।

(২) অসমীয়া সুগম সংগীত (আধুনিক গীত) প্ৰতিযোগিতাত কোনো প্ৰতিযোগীয়ে ইতিপূৰ্বে বাণীবদ্ধ হোৱা, কেছেট-চিডিত (অডিঅ' আৰু ভিডিঅ') সন্নিৱিষ্ট হোৱা, অনাতাঁৰ এফ এম বা দূৰদৰ্শনযোগে নতুবা আন ইলেক্ট্ৰনিক মাধ্যম যোগে প্ৰচাৰিত-সম্প্ৰচাৰিত আধুনিক গীত পৰিৱেশন কৰিব নোৱাৰিব। এইক্ষেত্ৰত প্ৰতিযোগীসকলক বিশেষভাৱে গুৰুত্ব দিবলৈ অনুৰোধ জনোৱা হ'ল। যিহেতু যুৱ মহোৎসৱত জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, পাৰ্বতিপ্ৰসাদ বৰুৱাৰ, ভূপেন হাজৰিকা আৰু জয়ন্ত হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব, গতিকে এইসকলৰ কোনো গীতো যুৱ মহোৎসৱৰ অসমীয়া সুগম সংগীত প্ৰতিযোগীয়ে পৰিৱেশন কৰিব নোৱাৰিব। বনগীত আৰু লোকসংগীতৰ ক্ষেত্ৰতো এই নিয়ম প্ৰযোজ্য হ'ব।

(৩) অসমীয়া সুগম সংগীতৰ প্ৰতিযোগীসকলে তেওঁলোকে পৰিৱেশ কৰিবলগীয়া গীতৰ প্ৰতিলিপি গীতিকাৰ আৰু সুৰকাৰৰ নামসহ যুৱ মহোৎসৱ উদ্‌যাপন সমিতিৰ সংশ্লিষ্ট কৰ্তৃপক্ষক নামভৰ্ত্তিৰ সময়তে জমা দিব লাগিব।

(৪) সমবেত সংগীতৰ প্ৰতিযোগী দলসমূহে সমবেত কণ্ঠত দুটাকৈ গীত পৰিৱেশন কৰিব লাগিব। ইয়াৰে এটা অসমীয়া সমবেত সংগীত তথা বৃন্দ গীত আৰু আনটো অসমীয়া লোক সংগীত। সমবেত সংগীতৰ ক্ষেত্ৰতো ইতিপূৰ্ব কোনো মাধ্যমযোগে প্ৰচাৰিত বা সম্প্ৰচাৰিত নোহোৱা গীতহে প্ৰতিযোগিতাৰ বাবে গণ্য কৰা হ'ব। অৱশ্যে সমবেত কণ্ঠত পৰিৱেশন কৰিবলগীয়া লোক সংগীতৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহ'ব। প্ৰতিযোগী দলসমূহে পৰিৱেশন কৰিবলগীয়া দুয়োটা গীতৰ তিনিটাকৈ প্ৰতিলিপি গীতিকাৰ-সুৰকাৰ পৰিচালক-সংগ্ৰহকাৰীৰ নামসহ যুৱ মহোৎসৱ উদ্‌যাপন সমিতিৰ সংশ্লিষ্ট কৰ্তৃপক্ষক নামভৰ্ত্তিৰ সময়তে জমা দিব লাগিব। সমবেত সংগীত আৰু লোকবাদ্যৰ বাহিৰে সংগীত প্ৰতিযোগিতাৰ বাকী সকলো শিতানত একোটা দলৰ এগৰাকীকৈ প্ৰতিযোগীয়েহে এককভাৱে অংশ গ্ৰহণ কৰিব পাৰিব।

(৫) পৰম্পৰাগত জনজাতীয় গীতৰ প্ৰতিযোগীসকলে অসমৰ যিকোনো এটা জনজাতিৰ লোকসংগীত এককভাৱে পৰিৱেশন কৰিব লাগিব। প্ৰতিযোগীসকলে পৰিৱেশন কৰিবলগীয়া গীতৰ ভাবাৰ্থৰ তিনিটাকৈ প্ৰতিলিপি ( অসমীয়া বা ইংৰাজীত) যুৱ মহোৎসৱ উদ্‌যাপন সমিতি সংশ্লিষ্ট কৰ্তৃপক্ষক নামভৰ্ত্তিৰ সময়তে জমা দিব লাগিব।

(৬) বনগীত (অসমীয়া) প্ৰতিযোগীসকলেও তেওঁলোকে পৰিৱেশন কৰা গীতৰ তিনিটাকৈ প্ৰতিলিপি কথা-সুৰৰ স্ৰষ্টা বা সংগ্ৰাহকৰ নাম (পাৰিলে গায়ক-গায়িকাৰ নামসহ) যুৱ মহোৎসৱ সমতিৰ সংশ্লিষ্ট কৰ্তৃপক্ষক নামভৰ্ত্তিৰ সময়তে জমা দিব লাগিব।

(৭) লোক সংগীত প্ৰতিযোগীসকলে বিহুগীত (বিহুনাম), দেহ বিচাৰ গীত, টোকাৰী গীত, জিকিৰ, কামৰূপী লোকগীত আৰু গোৱালপৰীয় লোকগীতৰ ভিতৰত যিকোনো এটা এককভাৱে পৰিৱেশন কৰিব লাগিব। প্ৰতিযোগীসকলে পৰম্পৰাগত সাজ-পোছাক আৰু বাদ্যযন্ত্ৰৰ প্ৰতি গুৰুত্ব দিয়া উচিত।

(৮) সংগীতৰ প্ৰতিযোগীতাসমূহৰ ভিতৰত কেৱল সমবেত সংগীত আৰু লোকবাদ্যহে দলীয় প্ৰতিযোগিতা। সংগীতৰ আন আন প্ৰতিযোগীতাসমূহৰ প্ৰতিযোগীসকলে এককভাৱেহে অংশ গ্ৰহণ কৰিব পাৰিব।

(৯) সমবেত সংগীত আৰু লোকবাদ্যক ধৰি সকলো বিভাগৰ সকলো দলীয় প্ৰতিযোগিতাৰ ক্ষেত্ৰত যোগদান প্ৰ-পত্ৰত কেৱল মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ নাম লিখিলেই হ'ব। দলীয় প্ৰতিযোগীতাসমূহৰ প্ৰতিযোগী তথা অংশ গ্ৰহণকাৰী সকলৰ নাম বেলেগে লিখি যোগদানৰ প্ৰ-পত্ৰৰ লগত গাঁঠি দিব লাগিব। এই তালিকাত সংশ্লিষ্ট দলৰ তত্ত্বাৱধায়ক বা শিক্ষানুষ্ঠানৰ মুৰব্বীৰ চহী আৰু ছীল মোহৰ থাকিব লাগিব।

(১০) যুৱ মহোৎসৱৰ সময়ছোৱাত সকলো প্ৰতিযোগীকে তেওঁলোকৰ প্ৰতিনিধিত্ব কৰা শিক্ষানুষ্ঠানৰ বেজ বা পৰিচয়-পত্ৰ সকলোৱে দেখাকৈ পোছাকত আঁৰি থবলৈ বিশেষভাৱে অনুৰোধ জনোৱা হ'ল।

(১১) যুৱ মহোৎসৱৰ সকলো ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা, পূৰ্বৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰা বা নতুনকৈ চৰ্ত আৰোপ কৰাকে ধৰি সকলো কামৰ সৰ্বোচ্চ কৰ্তৃত্ব ন্যস্ত থাকিব উদ্‌যাপন সমিতিৰ হাতত। প্ৰতিযোগীৰ বাবে নিৰ্ধাৰিত বিষয়, সময় বা স্থান সালসলনি কৰাকে ধৰি প্ৰতিযোগিতা সম্পৰ্কীয় সকলোধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা, পূৰ্বৰ সিদ্ধান্ত বাতিল কৰি নতুনকৈ সিদ্ধান্ত লোৱা আৰু জৰুৰীভাৱে নতুন নিয়ম-নীতি প্ৰৱৰ্তন কৰাৰ কৰ্তৃত্ব থাকিব উদ্‌যাপন সমিতিৰ। এইক্ষেত্ৰত সকলোৰে সহযোগ কামনা কৰা হ'ল।

ড° ৰঞ্জন কুমাৰ কাকতি

সচিব, গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ

আৰু সঞ্চালক, ছাত্ৰ কল্যান, গুৱাহাটী বিশ্ববিদ্যালয়

# গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ

## গোপীনাথ বৰদলৈ নগৰ (জালুকবাৰী), গুৱাহাটী-৭৮১০১৪

পশ্চিম মাণ্ডলিক আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱঃ ২০২৪-২০২৫

আয়োজকঃ অভয়াপুৰী মহাবিদ্যালয়, অভয়াপুৰী, বঙাইগাঁও

**প্ৰতিযোগিতাৰ শিতান/প্ৰতিযোগী/বাদ্যযন্ত্ৰী/সময় ইত্যাদি**

| শিতান | প্ৰতিযোগীৰ সংখ্যা | বাদ্যযন্ত্ৰীৰ সংখ্যা (সৰ্বাধিক) | সময় |
|---|---|---|---|
| **ক) সংগীত** | | | |
| ১। বৰগীত | এগৰাকী | ৩ গৰাকী | ৫-৭ মিনিট |
| ২। লোকগীত | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| ৩। বনগীত | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| ৪। পৰম্পৰাগত জনজাতীয় গীত | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| ৫। জ্যোতি সংগীত | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| ৬। বিষ্ণু ৰাভা গীত | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| ৭। পাৰ্বতীপ্ৰসাদ বৰুৱা | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| ৮। ভূপেন্দ্ৰ সংগীত | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| ৯। জয়ন্ত হাজৰিকা গীত | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| ১০। ৰবীন্দ্ৰ সংগীত | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| ১১। শাস্ত্ৰীয় কণ্ঠ সংগীত (Classical Vocal) | এগৰাকী | ৩ গৰাকী | ৫-১০ মিনিট |
| ১২। লঘু কণ্ঠ সংগীত (Light Vocal) | এগৰাকী | ৩ গৰাকী | ৫-১০ মিনিট |
| ১৩। পাশ্চাত্য সংগীত (Western Song) | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| ১৪। তাল বাদ্য (Percussions) | এগৰাকী | ৩ গৰাকী | ৫-১০ মিনিট |
| ১৫। স্বৰ বাদ্য (Non-percussions) | এগৰাকী | ৩ গৰাকী | ৫-১০ মিনিট |
| ১৬। সমবেত সংগীত | ৬ গৰাকী | ৩ গৰাকী | ৮-১০ মিনিট |
| ১৭। লোকবাদ্য (Folk Orchestra) | ৯ গৰাকী | ৩ গৰাকী | ৮-১০ মিনিট |
| ১৮। অসমীয়া সুগম সংগীত | এগৰাকী | ৩ গৰাকী | ২-৪ মিনিট |
| **খ) নৃত্য** | | | |
| ১। লোকনৃত্য অথবা জনজাতীয় নৃত্য (দলীয়) | ১০ গৰাকী | ৫ গৰাকী | ৭-১০ মিনিট |
| ২। শাস্ত্ৰীয় নৃত্য (একক) | এগৰাকী | ৩ গৰাকী | ৭-১০ মিনিট |

| শিতান | প্ৰতিযোগীৰ সংখ্যা | বাদ্যযন্ত্ৰীৰ সংখ্যা (সৰ্বাধিক) | সময় |
|---|---|---|---|
| **গ) সাহিত্য** | | | |
| ১। আলোচনী (শেহতীয়া সংখ্যা) | তিনিটা কপি | | |
| ২। স্ব-ৰচিত কবিতা আবৃত্তি (অসমীয়া বা ইংৰাজী অথবা হিন্দী) | এগৰাকী | | ৪ মিনিট |
| ৩। থিতাতে তোলা ছবি (Spot Photography) | এগৰাকী | | |
| **ঘ) নাটক (থিয়েটাৰ)** | | | |
| ১। একাংক নাট (One Act Play) | ৯ গৰাকী (সৰ্বাধিক) | ৩ গৰাকী | ৩০ মিনিট |
| ২। ব্যংগ নাট (Skits) | ৬ গৰাকী (সৰ্বাধিক) | ৩ গৰাকী | ১০ মিনিট |
| ৩। মূকাভিনয় (Mime) | ৬ গৰাকী (সৰ্বাধিক) | ৩ গৰাকী | ৫ মিনিট |
| ৪। ভেঙুচালি (কণ্ঠস্বৰ নকল) (Mimicry) | এগৰাকী | | ৩ মিনিট |
| **ঙ) সুকুমাৰ কলা** (Fine Arts) | | | |
| ১। থিতাতে আঁকা পেইণ্টিং (on the spot painting) | এগৰাকী | | ২.৩০ ঘণ্টা |
| ২। ক'লাজ (Collage) | এগৰাকী | | ২.৩০ ঘণ্টা |
| ৩। পোষ্টাৰ মেকিং (Poster Making) | এগৰাকী | | ২.৩০ ঘণ্টা |
| ৪। ক্লে'মডেলিং (Clay Modelling) | এগৰাকী | | ২.৩০ ঘণ্টা |
| ৫। কাৰ্টুনিং (Cartooning) | এগৰাকী | | ২.৩০ ঘণ্টা |
| **চ) তৰ্ক আৰু আলোচ্য** (Debat & symposium) | | | |
| ১। কুইজ (দলীয়) | ৩ গৰাকী | | |
| ২।তৰ্ক (Debating) (অসমীয়া বা ইংৰাজী অথবা হিন্দী) | দুগৰাকী (এগৰাকী সপেক্ষে, এগৰাকী বিপক্ষে) | | ৫ মিনিট (প্ৰতিগৰাকীৰ) |
| ৩।বক্তৃতা (Elocution) (অসমীয়া বা ইংৰাজী) | এগৰাকী | | ৫ মিনিট |

(**বিঃদ্ৰঃ** জৰুৰী প্ৰয়োজন তথা বিশেষ কাৰণত প্ৰতিযোগিতাৰ আৰম্ভ হোৱাৰ সময়, প্ৰতিযোগিতাৰ সূচী-স্থান-শিতান আৰু প্ৰতিযোগীৰ বাবে নিৰ্ধাৰিত সময়-নিয়মৰ সাল-সলনি কৰাৰ সম্পূৰ্ণ কৰ্তৃত্ব থাকিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ। প্ৰতিযোগিতাৰ ফলাফলৰ ক্ষেত্ৰত বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত।)

ড° ৰঞ্জন কুমাৰ কাকতি
সচিব
গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ